**জনসংযোগ, শোণিতপুৰ** **প্ৰেছ বাৰ্তা নং ০১২/২০২০**

## শোণিতপুৰত 'টেট' পৰীক্ষাৰ সন্দৰ্ভত জিলা প্ৰশাসনৰ সতৰ্কতা

**তেজপুৰ, ১৮ জানুৱাৰী:–** কাইলৈ ১৯ জানুৱাৰী তাৰিখে ৰাজ্যৰ অন্যান্য ঠাইৰ লগতে শোণিতপুৰ জিলাতো অনুষ্ঠিত হ'ব লগা হাইস্কুল শিক্ষক পদৰ নিযুক্তিৰ টেট পৰীক্ষা শান্তিপূৰ্ণ ভাৱে অনুষ্ঠিতকৰণৰ বাবে জিলা প্ৰশাসনে কিছু সতৰ্কতা মূলক ব্যৱস্থা গ্ৰহণ কৰি নিৰ্দেশ জাৰি কৰিছে। সেই অনুসৰি ভাৰতীয় ফৌজদাৰী কাৰ্যবিধি আইনৰ ১৪৪ ধাৰাৰ অধীনত জিলাৰ অতিৰিক্ত জিলা দণ্ডাধীশ ৰোহন কুমাৰ ঝাই জাৰি কৰা এক নিৰ্দেশ অনুসৰি পৰীক্ষা কেন্দ্ৰৰ ৫০ মিটাৰ ব্যাসাৰ্দ্ধ এলেকাত পৰীক্ষাৰ্থীৰ লগতে পৰীক্ষা কাৰ্যত জড়িত ব্যক্তিৰ ব্যতিৰেকে অন্যান্য লোকৰ চলাফুৰা তথা আগমন সম্পূৰ্ণ ৰূপে বাৰণ কৰিছে। তদুপৰি পৰীক্ষাৰ সময়চোৱাত পৰীক্ষা কাৰ্যৰ লগত জড়িত ব্যক্তি, জিলা প্ৰাশসনৰ দণ্ডাধীশ আদিৰ বাহিৰে উক্ত পথেদি সকলো ধৰণৰ বাহন চলাচল বন্ধ কৰি নিষেধাজ্ঞা জাৰি কৰিছে।লগতে পৰীক্ষাৰ্থী সকলে পৰীক্ষা কেন্দ্ৰৰ ভিতৰলৈ ম'বাইল ফোন, কেলকুলেটৰৰ লগতে যি কোনো বৈদ্যুতিন সামগ্ৰী লগত নিব নোৱাৰিব। আনহাতে পৰীক্ষা কেন্দ্ৰৰ ১০০ মিটাৰ ব্যাসাৰ্দ্ধ এলেকাত কোনো ধৰণৰ খাদ্য সামগ্ৰীৰ দোকান আদি স্থাপন কৰাৰ ওপৰত বাধা আৰোপ কৰা হৈছে। পৰীক্ষা কেন্দ্ৰৰ পৰ্যবেক্ষকৰ বাহিৰে অন্য কোনো ব্যক্তিয়ে পৰীক্ষাৰ্থীৰ বাবে নিৰ্ধাৰণ কৰি থোৱা আসন গ্ৰহণত সহায় কৰিব নোৱাৰিব। এই নিৰ্দেশনা পৰীক্ষা কেন্দ্ৰৰ সন্মুখ ভাগত ৰাইজৰ দৃষ্টিগোচৰ হোৱাকৈ ওলোমাই ৰখাৰ লগতে এই নিষেধাজ্ঞা সমগ্ৰ শোণিতপুৰ জিলাত পৰীক্ষা শেষ নোহোৱা পৰ্যন্ত বাহাল থাকিব।